**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। ৰাজ্যৰ ৪৫ হাজাৰ বিদ্যালয়ক সামৰি অহা ৬ জানুৱাৰীৰ পৰা তিনিটা পৰ্যায়ত চলিত শিক্ষাবৰ্ষৰ গুণোৎসৱ। বিনামূলীয়া ইউনিফৰ্মৰ গুণগত মান পৰীক্ষা কৰি বিদ্যালয়সমূহক অতিৰিক্ত নম্বৰ দিয়া হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

২। অহা ছেপ্তেম্বৰত ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত উপ-নিৰ্বাচন হোৱাৰ সম্ভাৱনা।

৩। বানৰ পাছতেই ৰাজ্যৰ বিভিন্ন স্থানত জাপানীজ এনচেফেলাইটিছ্ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি স্বাস্থ্য বিভাগৰ বাহকজনিত ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ।

৪। অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজ্য চৰকাৰৰ ৩ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ।

**আৰু**

৫। মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ৭ উইকেটত জয়লাভ।

০০০০০০

বিগত বৰ্ষসমূহৰ দৰে চলিত শিক্ষা বৰ্ষতো তিনিটা পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত হ'ব। অহা ৬ জানুৱাৰীৰ পৰা ৰাজ্যৰ ৩৫ খন জিলাৰ মুঠ ৪৫ হাজাৰ ৬২৯ খন বিদ্যালয়ৰ ৪৩ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি এইবাৰৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। সমগ্ৰ শিক্ষা অভিযানৰ কাৰ্যালয়ত সম্পন্ন অভ্যন্তৰীণ বৈঠকৰ অন্তত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই কথা অৱগত কৰে। শিক্ষামন্ত্ৰীয়ে জানিবলৈ দিয়া মতে এইবাৰৰ গুণোৎসৱত পূৰ্বৰ দৰেই অ এম আৰ শ্বিটৰ ব্যৱস্থা থাকিব। আনহাতে বিনামূলীয়া ইউনিফৰ্মৰ গুণগত মানৰ ভিত্তিত প্ৰথমবাৰৰ বাবে বিদ্যালয়সমূহক অতিৰিক্ত নম্বৰ প্ৰদান কৰা হ'ব। ৬ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈ চলিবলগীয়া প্ৰথম পৰ্যায়ৰ গুণোৎসৱত বৰপেটা, বজালী, কাজিৰঙা, কামৰূপ, কাৰ্বিআংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, দক্ষিণ শালমাৰা-মানকাচৰ আৰু ওদালগুৰি জিলাক সামৰি লোৱা হ'ব। আনহাতে ১৮ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ চলিবলগীয়া দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱত ১৩ খন জিলাৰ ক্ৰমে বাক্সা, চিৰাং, চৰাইদেউ, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ আৰু তিনিচুকীয়াৰ বিদ্যালয়সমূহক সামৰি ল'ব। একেদৰে তৃতীয় পৰ্যায়ত ৬ ফেব্ৰুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ বঙাইগাঁও, বিশ্বনাথ, দৰং, ডিব্ৰুগড়, গোৱালপাৰা, কাছাৰ, নলবাৰী, মৰিগাঁও, ডিমা হাচাও, মাজুলী আৰু পশ্চিম কাৰ্বি আংলঙৰ বিদ্যালয়সমূহত গুণোৎসৱ অনুষ্ঠিত হ'ব। ইপিনে নৱগঠিত বজালী আৰু তামুলপুৰৰ গুণোৎসৱ পৰিচালনাৰ দায়িত্ব পূৰ্বৰ অভিভাৱক জিলাৰ ওপৰতে ন্যস্ত থাকিব বুলি শিক্ষামন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

চলিত বছৰৰ ছেপ্তেম্বৰ মাহত ৰাজ্যৰ ৫টা সমষ্টিৰ উপ নিৰ্বাচন হোৱাৰ সম্ভাৱনা আছে। কালি অনুষ্ঠিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কৈছে যে, বৰ্তমানৰ অসম বিধানসভা ২০২১ চন অৰ্থাৎ সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ আগেয়ে গঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত পূৰ্বে বাহাল থকা বিধানসভা সমষ্টিসমূহতে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে কৈছে যে, এই উপ নিৰ্বাচনত ২০২৩ চনৰ পৰা নতুনকৈ নিৰ্ধাৰণ হোৱা বিধানসভাৰ সমষ্টিসমূহৰ সীমা প্ৰযোজ্য নহ'ব। সেয়ে এই ৫টা সমষ্টিৰ বাবে ২০২১ চনত উপলব্ধ ভোটাৰ তালিকাসমূহ উপ নিৰ্বাচনৰ সময়লৈকে নৱীকৰণ কৰি ব্যৱহাৰ কৰা হ'ব। উল্লেখযোগ্য যে, চলিত বছৰত অনুষ্ঠিত লোকসভা নিৰ্বাচনত ৰাজ্যৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বিধায়কসকল সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ পাছত সেই সমষ্টিকেইটাৰ আসনকেইখন খালী হৈ ৰয়। সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে জনোৱা মতে, খচৰা ভোটাৰ তালিকাসমূহ ৩০ জুলাইত প্ৰকাশ কৰা হ'ব। এই সম্পৰ্কত কিবা দাবী, আপত্তি থাকিলে সেয়া দাখিল কৰাৰ সময় ৩০ জুলাইৰ পৰা ১০ আগষ্টলৈ ধাৰ্য্য কৰা হৈছে। আনহাতে, চূড়ান্ত ভোটাৰ তালিকা ২০ আগষ্টত প্ৰকাশ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

শেহতীয়া বানত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা পশুপালক সকলক সকাহ প্ৰদানৰ উদ্দেশ্যে ৰাজ্যৰ ভিন্ন প্ৰান্তত বিনামূলীয়া পশু চিকিৎসা আৰু টীকাকৰণ অভিযান অনুষ্ঠিত কৰা হৈছে। বোকাখাট সমষ্টিৰ অন্তৰ্গত ডিফলু পথাৰত কালি গোলাঘাট জিলা পশুপালন আৰু পশু চিকৎসা বিভাগে বিনামূলীয়া পশু টীকাকৰণ তথা চিকিৎসা প্ৰদান কাৰ্যসূচীৰ আৰম্ভণি কৰে। কৃষিমন্ত্ৰী অতুল বৰাই কাৰ্যসূচীত অংশ লৈ স্থানীয় পশুপালক সকলৰ মাজত প্ৰয়োজনীয় দৰৱ তথা খাদ্য আদি বিতৰণ কৰে। এই অভিযানত গুৱাহাটীৰ খানাপাৰাত থকা পশু চিকিৎসা মহাবিদ্যালয়ৰ দ্বাৰা বানপীড়িত অঞ্চলৰ পশুপালক সকলৰ বাবে বিনামূলীয়াকৈ পশু খাদ্য বিতৰণৰো ব্যৱস্থা কৰা হয়।

০০০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলত বান পৰিস্থিতি স্বাভাৱিক হৈছে যদিও এতিয়াও ১৩ খন জিলাৰ ৫৭২ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। ৰাজ্যৰ ২ লাখৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। একেদৰে ৫৬টা আশ্ৰয় শিবিৰত ১০ সহস্ৰাধিক বানপীড়িতই আশ্ৰয় লৈ আছে।

ইপিনে বানৰ পাছতে ৰাজ্যৰ কেইবাটাও অঞ্চলত জাপানীজ এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভৰ ঘটিছে। ইতিমধ্যে এই ৰোগত ৫ জন লোকৰ মৃত্যু হোৱাৰ তথ্য ৰাজ্যৰ স্বাস্থ্য বিভাগে সদৰি কৰিছে। আনহাতে আন কেইবাজনো আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। ধেমাজিত জাপানীজ এনচেফেলাইটিছত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱাৰ লগতে ১৬ জন চিকিৎসাধীন হৈ আছে। ইপিনে ডিব্ৰুগড়তো জাপানীজ এনচেফেলাইটিছ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। বৰ্তমানে জিলাখনৰ ৪টা শিশুৰ দেহত এই ৰোগৰ ভাইৰাছ ধৰা পৰা বুলি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালে সদৰি কৰিছে। উল্লেখযোগ্য যে বগলী আৰু কণামুচুৰীৰ দৰে চৰাই এই ভাইৰাছৰ মুখ্য বাহক। অতিপাত জ্বৰ, মূৰৰ বিষ, বিভ্ৰান্তি, সংজ্ঞাহীনতা, শৰীৰৰ অস্বাভাৱিক কঁপনি আৰু শুদ্ধভাৱে কথা ক'বলৈ অসমৰ্থ হোৱা আদি এই ৰোগৰ প্ৰধান লক্ষণ। ৰোগবিধৰ পৰা ৰাইজক সুৰক্ষিত হৈ থাকিবলৈ পৰামৰ্শ দিয়াৰ উদ্দেশ্যে ৰাজ্যৰ স্বাস্থ্য বিভাগে ঠায়ে ঠায়ে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰিছে। ৰহাৰ আমহৈত এই ৰোগীৰ

সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত নগাঁও জিলাৰ মেলেৰিয়া বিভাগ আৰু বাৰপূজীয়া খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ তত্বাৱধানত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বাৰপূজীয়া খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ক্ষেত্ৰকৰ্মী আৰু আশাকৰ্মী সকলে আমছৈ অঞ্চলৰ ২৭৩টা পৰিয়ালৰ ঘৰে ঘৰে গৈ জ্বৰ পৰীক্ষা কৰাৰ লগতে, ২১ জনৰ তেজৰ নমুনা পৰীক্ষা কৰে। লগতে অঞ্চলটোৰ বাসিন্দাৰ সুবিধাৰ বাবে আঁঠুৱা ঔষধিকৰণৰো ব্যৱস্থা কৰে। ইপিনে মাজুলী, শোণিতপুৰ, নগাঁও, নলবাৰী আদি জিলাতো স্বাস্থ্য বিভাগৰ দ্বাৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনত জাপানীজ এনচেফেলাইটিছ, ডেংগী, মেলেৰিয়া আদিৰ দৰে বিভিন্ন বাহকজনিত ৰোগ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে আঁঠুৱা ঔষধিকৰণ শিবিৰৰ আয়োজন আৰু ফগিঙৰ ব্যৱস্থা কৰা হয়।

০০০০০০

শেহতীয়া বানত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা পশুপালক সকলক সকাহ প্ৰদানৰ উদ্দেশ্যে ৰাজ্যৰ ভিন্ন প্ৰান্তত বিনামূলীয়া পশু চিকিৎসা আৰু টীকাকৰণ অভিযান অনুষ্ঠিত কৰা হৈছে। বোকাখাট সমষ্টিৰ অন্তৰ্গত ডিফলু পথাৰত কালি গোলাঘাট জিলা পশুপালন আৰু পশু চিকৎসা বিভাগে বিনামূলীয়া পশু টীকাকৰণ তথা চিকিৎসা প্ৰদান কাৰ্যসূচীৰ আৰম্ভণি কৰে। কৃষিমন্ত্ৰী অতুল বৰাই কাৰ্যসূচীত অংশ লৈ স্থানীয় পশুপালক সকলৰ মাজত প্ৰয়োজনীয় দৰৱ তথা খাদ্য আদি বিতৰণ কৰে। এই অভিযানত গুৱাহাটীৰ খানাপাৰাত থকা পশু চিকিৎসা মহাবিদ্যালয়ৰ দ্বাৰা বানপীড়িত অঞ্চলৰ পশুপালক সকলৰ বাবে বিনামূলীয়াকৈ পশু খাদ্য বিতৰণৰো ব্যৱস্থা কৰা হয়।

০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত এই কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্যখণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্যৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্যকাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি আনুষ্ঠানিকভাৱে অমৃত বৃক্ষ আন্দোলন টু পইণ্ট জিৰো এপ মুকলি কৰে। উল্লেখযোগ্য যে, অমৃত বৃক্ষ আন্দোলনৰ প্ৰথম সংস্কৰণৰ সফলতাৰ পাছত অহা ১ আগষ্টৰ পৰা ১০ আগষ্টলৈ

অমৃত বৃক্ষ টু পইণ্ট জিৰোৰ জৰিয়তে সমগ্ৰ ৰাজ্যতে ৩ কোটি গছপুলি ৰোপণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰে নিজা নাৰ্ছাৰীৰ পৰা ৪ কোটিৰো অধিক গছপুলি ব্যৱহাৰ কৰিব। যাৰ ভিতৰত ৩ কোটি গছপুলি ৰোপণৰ বাবে আৰু ১ কোটি গছপুলি প্ৰতিস্থাপনৰ বাবে সংৰক্ষণ কৰি ৰখা হ'ব। গছপুলি বিতৰণৰ সুবিধাৰ বাবে সমগ্ৰ ৰাজ্যতে ৪ হাজাৰ বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। তদুপৰি চৰকাৰে সমাগত বছৰবোৰত ১০ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

ইফালে, যোৰহাট জিলাত বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰাৰ সমান্তৰালকৈ ৰাজ্যৰ বন বিভাগে এই বৰ্ষত ৰূপায়ণ কৰিবলৈ লোৱা অমৃত বৃক্ষ আন্দোলন সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত পৰ্যালোচনা সভাখনত স্বাস্থ্য, শিক্ষা, কৃষি, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, লোকনিৰ্মাণ, বন, জনস্বাস্থ্য কাৰিকৰী মহিলা আৰু শিশু কল্যাণ আদি বিভিন্ন বিভাগৰ বিষয়াসকলে নিজ নিজ বিভাগসমূহৰ কাম-কাজ আৰু আঁচনিসমূহৰ খতিয়ান দাঙি ধৰে। এইবৰ্ষত যোৰহাট জিলাত ১১ লাখ ৩ হাজাৰ ৭৩৩ জোপা গছপুলি ৰোপনৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি উল্লেখ কৰি যোৰহাটৰ জিলা আয়ুক্তগৰাকীয়ে যোৱাটো বৰ্ষৰ দৰে এইবাৰো অমৃত বৃক্ষ আন্দোলন সফল কৰি তুলিবলৈ সকলোকে আহ্বান জনাইছে। বিশেষকৈ শৈক্ষিক অনুষ্ঠান প্ৰতিৰক্ষা বিভাগ, কৃষক আৰু আত্মসহায়ক গোট, চাহ বাগিচা, অংগনবাড়ী কৰ্মী, আশাকৰ্মী, বে-চৰকাৰী প্ৰতিষ্ঠান আদিক সম্পূৰ্ণ সহযোগিতা আগবঢ়াই জিলাখনত এই কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে আয়ুক্তগৰাকীয়ে আহ্বান জনায়। সভাত জিলা বন সংমণ্ডল বিষয়াগৰাকীয়ে ১৫ দিনীয়া অমৃত বৃক্ষ আন্দোলনৰ বিভিন্ন দিশ অৱগত কৰে। গছপুলি লাভ কৰিবৰ বাবে কাইলৈৰ পৰা ৩১ জুলাইৰ ভিতৰত নাম পঞ্জীয়ন কৰিব লাগিব আৰু ১২ আগষ্টৰ ভিতৰত গছপুলিসমূহ সংশ্লিষ্ট গাঁও পঞ্চায়ত, পৌৰসভা, আৰক্ষী থানা আদিৰ পৰা সংগ্ৰহ কৰিব লাগিব।

০০০০০০

মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত যোৱাবাৰৰ চেম্পিয়ন ভাৰতে যোৱানিশা শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত নিজৰ প্ৰথমখন খেলত পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ১০৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ হৈ অপেনাৰ স্মৃতি মান্ধানাই ৪৫ আৰু শ্বেফালি বাৰ্মাই ৪০ ৰানৰ বৰঙনি আগবঢ়ায়। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৮ ৰান কৰে। পাকিস্তানৰ হৈ অমিনে ২৫ ৰান কৰে। ভাৰতৰ দ্বিপ্তী শৰ্মাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে ৰেণুকা সিং, পূজা বস্ত্ৰকাৰ আৰু শ্ৰেয়ংকা পাটিলে দুটাকৈ উইকেট লাভ কৰে। দিপ্তী শৰ্মাক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়। ভাৰত কাইলৈ পৰৱৰ্তী খেলত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

**দৈনিক অসম** কাকতে **প্ৰযুক্তি বিপৰ্যয়! সমগ্ৰ বিশ্বৰ বিমান, টেলিভিছন, বেংকসেৱা ব্যাহত** শিৰোনামেৰে মাইক্ৰচফ্টৰ বৃহৎ কাৰিকৰী বিজুতিৰ ফলত সমগ্ৰ বিশ্বজুৰি বিভিন্ন খণ্ডত অচলাৱস্থাৰ সৃষ্টি হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতৰ লগতে আজি প্ৰকাশিত প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অগ্ৰদূত** কাকতে **নিয়ন্ত্ৰণহীন হৈছে ৰাজ্যৰ বজাৰ ব্যৱস্থা** শিৰোনামেৰে ৰাজ্যৰ পাইকাৰী বজাৰত আলুৰ দাম হঠাৎ বৃদ্ধি হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। অসম ৰাজীৱ গান্ধী

সমবায় বিশ্ববিদ্যালয় আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ একত্ৰিকৰণ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিক্ষাৰ্থীৰ তীব্ৰ প্ৰতিবাদত অগ্নিগৰ্ভ হৈ পৰা বাংলাদেশত অসমৰ বহু শিক্ষাৰ্থী আৱদ্ধ হৈ পৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আৱদ্ধ শিক্ষাৰ্থীসকলক সুকলমে উদ্ধাৰৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ পৰা সহায় বিচৰাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। খহনীয়াগ্ৰস্ত বাঘবৰৰ ঐতিহাসিক বৈঠাপুতা সত্ৰক ৰক্ষাৰ উপায়ৰ বাবে ৰাজ্য চৰকাৰৰ অনুৰোধত এটা জাপানী বিশেষজ্ঞৰ দলে সত্ৰখন ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। চিৰাঙৰ চিদলী-কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উত্তৰ-পূবৰ চৰকাৰী বিদ্যালয় পৰ্যায়ৰ প্ৰথমটো মহাকাশ পৰ্যবেক্ষণ কেন্দ্ৰ উদ্বোধন হোৱাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **নিয়মীয়া বাৰ্তা** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। নিষিদ্ধঘোষিত সংগঠন আলফা স্বাধীনৰ সেনাধ্যক্ষ পৰেশ বৰুৱাসহ আন চাৰি শীৰ্ষ নেতাক আদালতত হাজিৰ হ'বলৈ গুৱাহাটীস্থিত নিয়াৰ বিশেষ ন্যায়াধীশে নিৰ্দেশ জাৰি কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে-**ৰাজ্যত ১ আগষ্টৰ পৰা ১৫ দিনীয়াকৈ অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় সংস্কৰণ, ৰাজ্যৰ ৫ টা বিধানসভা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন ছেপ্টেম্বৰত হোৱাৰ সম্ভাৱনা, অইল ইণ্ডিয়া লিমিটেডৰ অন্বেষণ আৰু বিকাশৰ সঞ্চালক হিচাপে চাল'মা য়মডুৰ দায়িত্বভাৰ গ্ৰহণ, আজাৰাৰ গড়লত খাদ্যৰ বিষক্ৰিয়াত ১৮ জন আক্ৰান্ত** আদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত